**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮২/২০১৯**

**সদৌ অসম কুমাৰ সন্মিলনৰ মৃৎ শিল্প প্ৰদৰ্শনী উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**
**উঠি অহা প্ৰজন্মই মৃৎ শিল্পক জীৱিকাৰ উত্তম পন্থা হিচাপে গ্ৰহণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৮ ডিচেম্বৰ ঃ** 'অসমৰ ঐতিহ্য আৰু সভ্যতাৰ সৈতে মৃৎ শিল্প সম্পৰ্কিত। ৰাজ্যখনৰ অৰ্থনৈতিক সৱলীকৰণৰ ক্ষেত্ৰত মৃৎ শিল্পই যথেষ্ট গুৰুত্বপূৰ্ণ অৰিহণা ল'ব পাৰে। এই শিল্পৰ লগত জড়িত থকা শিল্পীসকলে আধুনিক দৃষ্টিভংগী আৰু প্ৰতিযোগীতামুখী মানসিকতাৰে আগবাঢ়ি আহিব লাগিব। আজিৰ এই প্ৰতিযোগীতামুখী বজাৰ ব্যৱস্থাত যাতে আমাৰ মৃৎ শিল্পই সুনাম কঢ়িয়াই আনিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই শিল্পৰ লগত জড়িত থকা সকলক আধুনিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। মৃৎ শিল্পৰ উৎপাদন থলীৰ  পৰা বজাৰ ব্যৱস্থালৈকে এই সম্পূৰ্ণ প্ৰক্ৰিয়াটোত ৰাজ্য চৰকাৰে সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব।' আজি সদৌ অসম কুমাৰ সন্মিলনৰ মৃৎ শিল্প প্ৰদৰ্শনীৰ উদ্বোধনী অনুষ্ঠান উপলক্ষে মহানগৰীৰ তেতেলীয়াত  আয়োজিত এক সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ উঠি অহা প্ৰজন্মই মৃৎ শিল্পক জীৱিকাৰ উত্তম পন্থা হিচাপে গ্ৰহণ কৰিব লাগিব। এই সাতামপুৰুষীয়া শিল্পৰ জৰিয়তে সৃষ্টিশীল মন এটা জীয়াই ৰাখিব লাগিব। প্লাষ্টিকে আমাৰ জৈৱ বৈচিত্ৰ্যতাত প্ৰত্যাহ্বান নমাই আনিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে  প্লাষ্টিকৰ বিকল্প হিচাপে মৃৎ শিল্পকে ধৰি আমাৰ থলুৱা শিল্পক বিকশাই তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ধ্যান-ধাৰণাৰে অসমকো প্ৰদূষণ মুক্ত ৰাজ্য হিচাপে গঢ় দিয়াৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে নিৰলস প্ৰয়াস চলাই আহিছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ভিয়েটনামে আজি কৃষি খণ্ডৰ জৰিয়তে অৰ্থনৈতিক সৱলীকৰণৰ দিশত দ্ৰুত গতিত আগুৱাই গৈছে। শিল্পীসত্ত্বাক উজ্জীৱিত কৰি অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ ক্ষেত্ৰত মৃৎ শিল্পই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

১৮ লাখ মৃৎ শিল্পৰ লগত জড়িত লোকৰ স্বাৰ্থত কিমান সংস্থাই ৰাজপথলৈ ওলাই আহিছে বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰ্থনৈতিক আন্দোলন অবিহনে এটা জাতি আগুৱাই যাব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে পৰিশ্ৰমী হ'লে অস্তিত্ব বিপন্ন হ'ব নোৱাৰে। ভাষা-সংস্কৃতি, কৃষ্টি কোনোও অৱলুপ্তি কৰিব নোৱাৰে বুলিও উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিগৰাকী ব্যক্তিয়ে কৰ্ম সংস্কৃতিৰ জৰিয়তে আগুৱাই গ'লে স্বাভিমানেৰে জীয়াই থাকিব পাৰিব। সেইবাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে কৰ্ম সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমত ঔদ্যোগীকৰণৰ বাবে শান্তিৰ প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক শান্তি-সম্প্ৰীতি অটুত ৰখাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে মৃৎ শিল্পৰ শিল্পীসকলে প্ৰতিযোগিতামুখী বজাৰত শক্তিশালী অৱস্থান কৰিব লাগিলে উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন কৰি গ্ৰাহকৰ চাহিদা পূৰণ কৰিব লাগিব।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উদ্যোগ আৰু পৰিবহন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়ক দ্বয় গুৰুজ্যোতি দাস আৰু নন্দিতা দাস, জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ /**
**৮/১২/২০১৯**